# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ২৪/২০২০

## <u>সংস্কৃতি দি গুৰুকুলত মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে অটল টিংকাৰিং লেব</u>

## অটল টিংকাৰিং লেবে সমাজে সন্মুখীন হোৱা সমস্যা সমূহৰ উদ্ভাৱনীমূলক সমাধান আগবঢ়াব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ জানুৱাৰী ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মানসিকতা অধিক দৃঢ় কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ সংস্কৃতি দি গুৰুকুল নামৰ শিক্ষানুষ্ঠানখনত অটল টিংকাৰিং লেবৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অটল টিংকাৰিং লেবৰ মুখ্য উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুসন্ধিৎসা, কল্পনাপ্ৰসূতা আৰু সৃজনীশীল মনোভাৱ গঢ়ি তোলা। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে বিদ্যালয়খনত গঢ়ি তোলা এই গৱেষণাগাৰটোৱে ছাত্ৰ-ছাত্ৰীসকলক বৈজ্ঞানিক মানসিকতাৰে উদ্বুদ্ধ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই গৱেষণাগাৰে ছাত্ৰ-ছাত্ৰীসকলক সমাজে সাম্প্ৰতিক সময়ত সন্মুখীন হৈ অহা সমস্যা সমূহ উদ্ভাৱনীমূলক দৃষ্টিভংগীৰে সমাধানৰ বাট উলিয়াবলৈও প্ৰেৰণা যোগাব।

ৰাজ্যখনৰ অপাৰ সম্পদ আৰু সম্ভাৱনীয়তাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে সমগ্ৰ অঞ্চলটোক নতুন ভাৰতৰ বিকাশৰ নৰতম ইঞ্জিন বুলি অভিহিত কৰিছে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যৰ বিকাশৰ গতিক নতুন মাত্ৰা প্ৰদান কৰিবলৈ অধিক উদ্যমেৰে পদক্ষেপ ল'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী সোণোৱালে বিদ্যালয়খনৰ শিক্ষক সকলক এই গৱেষণাগাৰৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মনত কল্পনা প্ৰসূতা বৃদ্ধি কৰাৰ উপৰি অত্যাধুনিক প্ৰযুক্তিগত শিক্ষাৰে প্ৰোথিত কৰিবলৈ আহ্বান জনায়। তদুপৰি, মুখ্যমন্ত্ৰী সোণোৱালে এই গৱেষণাগাৰৰ সুবিধা যাতে বিদ্যালয়খনৰ চুবুৰীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলেও লাভ কৰিব পাৰে তাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষক যাৱতীয় পদক্ষেপ ল'বলৈও আহ্বান জনায়।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি গৱেষণাগাৰটোত তেওঁলোকে প্ৰস্তুত কৰা বিভিন্ন উদ্ভাৱনীমূলক প্ৰকল্পও প্ৰত্যক্ষ কৰে।

উল্লেখ্য যে অটল টিংকাৰিং লেবৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ মনত উদ্ভাৱনী আৰু সৃজনীশীল শক্তিৰ বিকাশ ঘটাবলৈ পদক্ষেপ লৈছে। এই গৱেষণাগাৰ নীতি আয়োগৰ পদক্ষেপৰ ফচল আৰু ইয়াৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিদ্যালয় সমূহলৈ আৰ্থিক অনুদান আগবঢ়াইছে।

আজিৰ এই কাৰ্যসূচীত বিদ্যালয়খনৰ অধ্যক্ষা অজানিতা হাজৰিকা, বিদ্যালয়ৰ সচিব আশুতোষ আগৰৱালা, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

**সুঃদঃ / বীঃগঃ**
**২২/০১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in